ইণ্টাৰনেটত 'দৈনিক অসম' http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

৫৮ বছৰীয়া ঐতিহ্য ১৯৬৫-২০২২

৭ | যোৰহাট, লাকুৱাতো বিহুৰ খদমদম

নন্দিনী গুপ্তাৰ মিছ ইণ্ডিয়া খিতাপ | ১০

ৰঙালী বিহু উপলক্ষে উখল-মাখল ডিব্ৰুগড় | ৯

১২ | অল্লানৰ পুনৰ 'গ'ল্ডেন ডবল'

...। ২৪৭ সংখ্যা, ৩ ব'হাগ, সোমবাৰ, ১৯৪৫ শক । DAINIK ASAM : Assamese Daily । VOL. 58 NO. 247 । DIBRUGARH, MONDAY, APRIL 17, 2023 । পৃষ্ঠা ১২ (Pages...



## অধ্যক্ষ ড° শশীকান্ত শইকীয়াক শৈক্ষিক নেতৃত্ব বঁটা-২০২৩ প্ৰদান




নিজা বাতৰি দিওঁতা

টিংখাং, ১৬ এপ্ৰিল ঃ ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক মেঘালয়ৰ বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয় আৰু ই আৰ ডি ফাউণ্ডেশ্যনৰ তৰফৰপৰা শৈক্ষিক নেতৃত্ব বঁটা-২০২৩ প্ৰদান কৰা হয়।এই বঁটা প্ৰদান কৰে অসমৰ দক্ষতা বিকাশ আৰু পৰ্যটন বিভাগৰ কেবিনেট মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। শৈক্ষিক আৰু প্ৰশাসনিক দিশত নিৰৱচ্ছিন্নভাৱে কাম কৰি মহাবিদ্যালয়খনৰ লগতে সমাজলৈ বিশেষ বৰঙণি আগবঢ়োৱাৰ স্বীকৃতিস্বৰূপে অধ্যক্ষগৰাকীক এই বঁটা প্ৰদান কৰা হয়। ৮ এপ্ৰিলত বিশ্ববিদ্যালয়খনে আয়োজন কৰা উত্তৰ-পূৰ্বাঞ্চল গ্ৰেজুৱেট সমাৱেশত অনুষ্ঠিত এই বঁটা প্ৰদান অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ আচাৰ্য মেহবুবুল হক, বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° জি ডি শৰ্মা, সম উপাচাৰ্য ড° বলেন্দ্ৰ কুমাৰ দাস প্ৰমুখ্যে অসমৰ ভালেসংখ্যক অধ্যক্ষ উপস্থিত আছিল।

## যোৰহাট, লাকুৱাতো বিহুৰ খদমদম

নিজা বাতৰি দিওঁতা

লাকুৱা, ১৬ এপ্ৰিল ঃ অহা ২৩ এপ্ৰিলত চাৰিগাঁও বৰনামঘৰ প্ৰাংগনত ৰঙালী বিহু সন্মিলনৰ আয়োজন কৰা হৈছে। বিহু উদ্‌যাপনৰ কাৰণে ইতিমধ্যে অনুষ্ঠিত সভাই অৰুণ দত্তক সভাপতি, প্ৰদীপ দত্তক কাৰ্যকৰী সভাপতি, ৰূপকৰঞ্জন দত্তক সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰিছে। সন্মিলন উপলক্ষে উক্ত দিনা ১১ বজাৰপৰা অবিভক্ত শিৱসাগৰ জিলা ভিত্তিত নিম্ন শাখাত নগদ ধনৰ পুৰস্কাৰৰ বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতা উদ্বোধন কৰিব অতিৰিক্ত উপায়ুক্ত দামোদৰ বৰ্মনে। সন্ধিয়া জনপ্ৰিয় গায়ক কৃষ্ণমণি নাথে গীত পৰিৱেশন কৰিবলগীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব সাংবাদিক উৎপল বৰাই।

আনহাতে, যোৰহাটৰ 'সমন্বয়'-এ আয়োজন কৰি অহা ৰাজতীয়া ৰঙালী বিহু সন্মিলনে এইবাৰ ৩৯ তম বছৰত ভৰি দিছে। ২১ আৰু ২২ এপ্ৰিলত স্থানীয় বালিগাঁও, ৰাজতীয়া জতীয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগনত বিহু সন্মিলনৰ আয়োজন কৰিছে। এইবাৰ ২১ এপ্ৰিলত বিহু পতাকা উত্তোলন, স্মৃতি তৰ্পণ, জ্যেষ্ঠজনক সন্মান প্ৰদৰ্শন আৰু দুটা শাখাত নগদ ধনৰ চিত্ৰাংকন আৰু ভোগদৈপৰীয়া নাচনি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২২ এপ্ৰিলত ঋষভ দাস সোঁৱৰণী সদৌ অসম ভিত্তিত দুটা শাখাত আধুনিক নৃত্য প্ৰতিযোগিতাৰ বঁটা বিতৰণ সভা আৰু 'দীপাংকৰ দাস' আৰু 'ঋষভ দাস' সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব।